# বীজ প্ৰামাণিকৰণ





**বীজ প্ৰামাণিকৰণ কিয় কৰিব লাগে ?**

বীজ প্ৰামাণিকৰণৰ উদ্দেশ্য হৈছে কৃষকৰ মাজত উন্নত জাতৰ ধানৰ মানসম্পন্ন বিশুদ্ধ বীজ উপলব্ধ কৰা। প্ৰামাণিত বীজ, বিশুদ্ধ, অধিক অংকুৰণ ক্ষমতা থকা আৰু উন্নত মানদণ্ডৰ (সকলো বেমাৰ-আজাৰ, ক্ষত-বিক্ষত আৰু বিসংগতি পূৰ্ণ বীজমুক্ত) হয়।

**বীজৰ প্ৰকাৰ ঃ**

**প্ৰজনক বীজ ঃ** প্ৰজনক বীজ হৈছে নতুন জাতৰ বিশুদ্ধ বীজ । এই বীজসমূহৰ উৎপাদন, উন্নয়নত, নিয়ন্ত্ৰণকৰণত আৰু যোগান ধৰাত প্ৰত্যক্ষভাৱে প্ৰজননবিদ বা তেঁওলোকৰ প্ৰতিষ্ঠান জড়িত। প্ৰয়োজন সাপেক্ষে তেঁওলোকে সেই বীজৰ উৎপাদন কৰে।

**আধাৰবীজ ঃ** এই বীজসমূহ প্ৰজনক বীজৰ পৰা উৎপাদিত। এই বীজসমূহ বিভিন্ন কৃষি প্ৰতিষ্ঠান, বীজ নিগমৰ প্ৰশিক্ষিত বিষয়া আৰু প্ৰশিক্ষিত কৃষকে উৎপাদন কৰে। এনে কৰিবলৈ যাঁওতে চৰকাৰী মাপকাঠি মানি চলাৰ লগতে বীজৰ বিশুদ্ধতা আৰু স্বকীয়তা ৰক্ষা কৰি চলে।

**প্ৰামাণিকৰণ বীজ ঃ** এই বীজসমূহ আধাৰবীজ বা প্ৰামাণিকৰণ বীজৰ(স্তৰ ১) পৰা উৎপাদন কৰা হয় । এই বীজসমূহ প্ৰশিক্ষিত কৃষকৰ দ্বাৰাহে উৎপাদন কৰোৱা হয়। তেঁওলোকে চৰকাৰী মাপকাঠি মানি বীজৰ বিশুদ্ধতা আৰু স্বকীয়তা বজাই ৰাখি বীজ উৎপাদন কৰে। প্ৰামাণিকৰণ বীজৰ প্ৰমাণপত্ৰ পাবৰ বাবে শস্য কৰাৰ সময়ত, চপোৱাৰ সময়ত আৰু চপোৱাৰ পিছত কোনো প্ৰামাণিকৰণ অনুষ্ঠানৰ দ্বাৰা পৰ্য্যবেক্ষণ কৰোৱাব লাগে। তেঁওলোকে প্ৰামাণিকৰণ বীজৰ প্ৰমাণ পত্ৰ দিলেহে এই শস্যৰ বীজ বানিজ্যিকভাৱে খেতি কৰিবলৈ ব্যৱহাৰ কৰা হয়।

**বীজ পৰীক্ষণ ঃ** বীজৰ নমুনা সংগ্ৰহ কৰি শুকাই আৰু পৰিস্কাৰ কৰাৰ পিছত পৰীক্ষাগাৰত পৰীক্ষা কৰিবলৈ জমা দিয়া হয়। পৰীক্ষাগাৰত তলত দিয়া কাৰকসমূহৰ পৰীক্ষা কৰা হয়।

- বংশগত বা জাতৰ বিশুদ্ধতা
- শাৰিৰীক বিশুদ্ধতা
- অংকুৰণ ক্ষমতা
- অপতৃণ আৰু অন্যান্য শস্যৰ বীজৰ উপস্থিতি
- অন্যান্য জাতৰ পৰিমাণ
- আৰ্দ্ৰত্ব

| কাৰক | আধাৰ বীজ | প্ৰামাণিত বীজ |
|---|---|---|
| বিশুদ্ধ বীজ (%) (সৰ্বনিম্ন) | 98 | 98 |
| প্ৰতি কিঃগ্ৰাঃ বীজত অন্যান্য ধানৰ জাতৰ বীজৰ সংখ্যা (সৰ্বোচ্চ) | 10 éÅ | 20 |
| প্ৰতি কিঃগ্ৰাঃ বীজত মুঠ অপতৃণ আৰু অন্যান্য বীজৰ সংখ্যা ( কিঃগ্ৰাঃ) | 10 | 20 |
| নিস্ক্ৰীয় উপাদান (%) (সৰ্বোচ্চ) | 2 | 2 |
| অংকুৰণ (%) (সৰ্বনিম্ন) | 80 | 80 |
| আদ্ৰতা (%) (সৰ্বোচ্চ) | 13 | 13 |
| ভাপ শূন্য পাত্ৰৰ আদ্ৰতা (%) (সৰ্বোচ্চ) | 8 | 8 |

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*